**Q.** শৈশৱাৱস্থা বাল্যকালৰ প্ৰজ্ঞাত্মক বিকাশৰ বিভিন্ন স্তৰ সমূহৰ বিষয়ে লিখা।

**Ans:**— প্ৰজ্ঞাত্মক বিকাশৰ যোগেদি এটা শিশুৱে কিদৰে ভাবে যুক্তি দৰ্শায় তাকে বুজায়। প্ৰতিটো বস্তু প্ৰতি শিশুৰ বোধ জ্ঞানৰ বিকাশেই হৈছে প্ৰজ্ঞাত্মক বিকাশ। শিশুৱে পৰিৱেশৰ পৰা লাভ কৰা নতুন নতুন অভিজ্ঞতাৰ জৰিয়তেই নতুন নতুন মানুহৰ লগত জ্ঞানৰ পৰিধিৰ লাভ কৰে। বিখ্যাত সুইছ মনোবিজ্ঞানী Jean Piaget শিশুৰ প্ৰজ্ঞাত্মক বিকাশৰ ওপৰত নানা ধৰণৰ গৱেষণা চলাই। এক শিশুৰ প্ৰজ্ঞাত্মক বিকাশক তেওঁ কিছুমান ধৰণে বিভিন্ন স্তৰত ভাগ কৰিছে ...... 4 টা প্ৰধান স্তৰত ভাগ কৰিছে ____

(i) সংবেদী প্ৰচেষ্টক স্তৰ (Sensory motorstage):-

জন্মৰ পৰা দুবছৰলৈকে এই স্তৰত পৰে।

(ii) প্ৰাক-প্ৰয়োগ স্তৰ (Pre-operationalstage):

দুবছৰৰ পৰা সাত বছৰীয়া শিশু এই স্তৰৰ অন্তৰ্গত।

(iii) মূৰ্ত কাৰ্যৰ ধৰণৰ স্তৰ (Concrete operational Stage):— সাতৰ পৰা এঘাৰ বছৰৰ শিশু এই স্তৰত পৰে।

(iv) আনুষ্ঠানিক ~~কাৰ্যকৰী~~

(iv) আনুষ্ঠানিক কাৰ্যকৰী চিন্তাৰ স্তৰ (Formal operational stage) :

এঘাৰ বছৰৰ পৰা পোন্ধৰ বছৰলৈ এই স্তৰৰ অন্তৰ্গত।

শৈশৱতীয়া বাল্যকালৰ শিশু সকলৰ প্ৰত্যাত্মক বিকাশৰ তৃতীয়টো স্তৰ — মূৰ্ত কাৰ্য্যকৰণৰ স্তৰ (6/7 — 11)। এই সময়ছোৱাত শিশু সকলৰ প্ৰত্যাত্মক বিষয়ৰ ~~[illegible]~~ এই বয়সত শিশুৱে কি আৰিক যুক্তিসংগত ভাৱে বিষয় বুলি ভাবিব শিকে। এই স্তৰলৈকে কল্পনাৰ প্ৰকৃত বস্তু সকলৰ মাজত পাৰ্থক্য বুজি পোৱা হয়। এটা সৰু শিশুৰ বাবে কল্পনা আৰু প্ৰকৃত বস্তুৰ মাজত কোনো পাৰ্থক্য নাথাকে। এটা 4 বছৰীয়া শিশুৱে Spider man ক সঁচা বুলি ভাবে আৰু ১০ বছৰীয়া ল'ৰা-ছোৱালীয়ে ইয়াক কাল্পনিক বুলি ধৰে। সেইদৰে 4 বছৰীয়া শিশুৱে কেঁচুৱা কেনেকৈ হস্পিতালৰ পৰা আনিব পাৰে বুলি ভাবে। কিন্তু ডাঙৰ বছৰীয়া ল'ৰা ছোৱালীয়ে কেঁচুৱাবোৰ যে হস্পিতালৰ পৰা আনিব নোৱাৰে এই সেই কথা ~~জানে~~ জানে।

এই বয়সত শিশুৱে অন্য দৃষ্টিভংগী বিষয়ে বুজি পায়। উদাহৰণ স্বৰূপে : এটা শিশুৰ মাক বান্ধনীঘৰত আছে আৰু এটা ৫ বছৰীয়া শিশুৱে কোঠাত খেলি আছে। যেতিয়া বিচাৰি প্ৰশ্ন মাকে বান্ধনী ঘৰৰ পৰা সুধে সি অন্য কোঠাত থাকিও মূৰ জোকাৰে। অৰ্থাৎ সি ভাবে মাকে তাক দেখিছে বুলি।

কিন্তু ৮/৯ বছৰীয়া শিশুৱে

মাকে সুধিলে সি সুখেৰে উত্তৰ দিব। অর্থাৎ সি অন্য অনুভূতি বোধ নাই পাব।
এই বয়সৰ শিশুৰ প্ৰত্যক্ষাত্মক বিকাশৰ আন এটা উল্লেখ যোগ্য দিশ হৈছে — পৰিবৰ্তন সাধিব পাৰিবৰ ক্ষমতা (Reversibility)। ওলোটাকৈ ভাবিব বা বুজিব পোৱা ক্ষমতাকে সমস্যাটোকে পৰিবৰ্তন সাধনৰ ক্ষমতা বোলে। উদাহৰণ স্বৰূপে :— এটা ৪ বছৰীয়া শিশুক এটা মাটিৰ বল দেখুওৱা হল। সেই বলটো এমন বিচনীলৈ পৰিবৰ্তন কৰি দেখুওৱা হল। তাৰ পিছত এই এমল সাপলৈ পৰিবৰ্তন কৰি দেখুওৱা হল। এতিয়া যদি শিশুটোক পুনৰ আগৰ লেখা বিচনী সাজিবলৈ দিয়ে। তেতিয়া শিশুটো অসমৰ্থ হব। কাৰণ শিশুটোৱে বিভিন্ন চাপ বা স্তৰৰ মাজেদি পিছলৈ বা ওলোটাকৈ ভাবিব নোৱাৰে। কিন্তু এটা ১১ বছৰীয়া শিশুৱে এইবোৰ ভাল দৰে সাজিব পাৰিব।

সংৰক্ষণৰ ক্ষেত্ৰটো এই বয়সৰ শিশুৰ বৰ্দ্ধিত প্ৰত্যক্ষাত্মক বিকাশ হোৱা দেখা যায়। কোনো বস্তুৰ আকাৰৰ সলনী হলেও যে তাৰ ভৌতিক বস্তুৰ পৰিবৰ্তন নহয়। সেই অবস্থাটো বুজি পোৱাকে সংৰক্ষণ বোলে।

উদাহৰণস্বৰূপে :— আমি যদি ১০টা মুচুৰা পইচা ২টা শাৰীত সজাওঁ। এটা শাৰীত পইচাবোৰ ওচৰা-ওচৰিকৈ থও। আৰু অন্য

শাৰীৰিত পইচাবোৰ, মূৰে মূৰে থওঁ। তেতিয়া এটা ৪ বছৰীয়া শিশুৱে মূৰে মূৰে পোৱা পইচাৰ শাৰীটোত বেছি পইচা আছে বুলি ভাবিব। কিন্তু এটা ১০ বছৰীয়া শিশুৱে দুটা শাৰীৰ পাৰ্থক্য তৎক্ষণাত বুজিব পাৰিব আৰু শুদ্ধ উত্তৰ দিব।

এনেদৰে, সমান পৰিমাণৰ শীতল-পানী যদি এটা ক্ষীণ আৰু ওখ বটল, আনটো চুটি আৰু বহল বটলত থোৱা হয়। তেতিয়া হ'লে ক্ষীণ আৰু ওখ বটলৰ শীতল পানীৰ পৰিমাণ ওপৰত বেছি দেখাব আৰু চুটি, বহল বটলটোত কম দেখাব। এতিয়া এটা ~~শিশুক~~ ৪ বছৰীয়া শিশুক ২টাৰ পৰা এটা লবলৈ দিলে যদি তেতিয়া সি পানীয় ওখ আৰু ক্ষীণ বটলটো লব। সি ভাবিব যে এই বটলটোত শীতল পানী বেছি আছে। কিন্তু শেহতীয়া বাল্যকালৰ বয়সৰ শিশুৱে বুজিব পাৰিব বটলটোৰ আকাৰ পৰিৱৰ্তন হলেও পানীৰ পৰিমাণ একে হ'ব।

(৮) শ্ৰেণীবিভাজন (classification) :—

ইয়াৰ ক্ষেত্ৰত দেখা যায় যে এই বাল্যকালৰ (মধ্যবাল্যকাল) শিশুৱে বিভিন্ন প্ৰকাৰে শ্ৰেণী বিভাজন কৰিব পাৰে। আমি যদি তাচ খেলৰ কাৰ্ডবোৰ ছেটি এটা দি এটা ৪ বছৰীয়া শিশুক শ্ৰেণী বিভাজন কৰিব দিও তেতিয়া শিশুটোৱে অকল ৰং-ৰ ভিত্তিতহে

Anju moni

শ্ৰেণীবিভাজন কৰিব পাৰিব। অন্যহাতে এটা ৭/১১ বছৰীয়া শিশুৱে এই কাৰ্ড সমূহ বিভিন্ন গুণ অনুসাৰি বিভিন্ন ধৰণে সজাব পাৰিব। গতিকে আমি দেখা পাওঁ যে মধ্যশৈশৱকালত এটা শিশুৱে যুক্তি সহ যে কোনো বস্তুত বিভিন্ন প্ৰকাৰে শ্ৰেণী বিভাজন কৰিব পৰা যায়।

ক্ৰমিক সজাই পোৱা বা অনুক্ৰমিকৰ ক্ষেত্ৰত (Seriation) দেখা যায় যে শৈশৱৰ অন্ত্যকালৰ শিশুৱে মনতে যিকোনো বস্তু ক্ৰমাগত ভাবে সজাই লব পাৰে। উদাহৰণ স্বৰূপে :— আমি যদি এটা ৬/৭০ বছৰীয়া শিশুক সুধো যে — তিনিজনী বাই জনী A, B আৰু C। A, B তকৈ ওখ আৰু B, C তকৈ ওখ। প্ৰতিয়া A, C তকৈ ওখ নে চাপৰ। এই ক্ষেত্ৰত দেখা যাব যে ৬ বছৰীয়া শিশুটোৱে ইয়াৰ উত্তৰ দিব নোৱাৰিব। কিন্তু ৭০ বছৰীয়া শিশুটোৱে ইয়াৰ উত্তৰ দিবলৈ সমৰ্থ হ'ব আৰু লগতে ইয়াৰ যত্নাও দিব পাৰিব। ইয়াৰ অৰ্থাৎ হ'ল ৭০ বছৰীয়া শিশুটোৱে ইয়াৰ বস্তুবোৰৰ মনৰ ভিতৰত সজাই লব পাৰিব। ইয়াকে অনুক্ৰমিক বা ক্ৰমিক সজাই পোৱা বোলে।

সময় আৰু গতি বোধৰ ক্ষেত্ৰত দেখা যায় যে — ৭০ ৰ পৰা ১১ বছৰীয়া

এটা শিশুৰ সময় আৰু গতিৰ বিষয়ে অসম্পূৰ্ণ ধাৰণা আছে। ইহঁতে ঘড়ীৰ সময় চাব পাৰে। তাৰোপৰি ইহঁতলোকে সোনকালে, দেৰী, ধীৰ, মাৰতকায়া, জতিয়া, পিছত আদিৰ বিষয়েও বুজি পায়। যেনে বহু বয়সৰ শিশুৱে গতিবেগৰ বিষয়ে বুজি পায় আৰু প্ৰতি ঘণ্টাত 60 Km ৰ বেগত চলা গাড়ী আৰু প্ৰতি ঘণ্টাত 40 Km ৰ বেগে চলা গাড়ীজনতকৈ আগে পাব।

সেইহে ওপৰৰ আলোচনাৰ পৰা আমি ধৰা পালো যে মধ্যবাল্যকালৰ শিশুৰ প্ৰক্ৰিয়াত্মক বিকাশৰ বৈশিষ্ট্য সমূহ হল :

(i) কাল্পনিক আৰু প্ৰকৃত বস্তুৰ বিষয়ে ধাৰণা।

(ii) সহানুভূতিশীল, আত্মকেন্দ্ৰিক।

(iii) পৰিবৰ্তন সাধন।

(iv) সংৰক্ষণ।

(v) শ্ৰেণী বিভাজন।

(vi) ক্ৰমিক স্থাপন সজোৱা বা অনুক্ৰমিক।

(vii) সময় আৰু গতিবেগ :

অন্য বিকাশৰ দৰেই, প্ৰক্ৰিয়াত্মক বিকাশো বংশগতি আৰু পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে। সকলো লোকেই কিছু পৰিমাণৰ বুদ্ধিমত্তালৈ জন্মগ্ৰহণ কৰে। কিন্তু মানুহে সকলো বুদ্ধিমত্তা,

কামত অটুৱাব পাৰেনে নাই সেইটো নিৰ্ভৰ কৰে বিদৰে এই জন্মগত সামৰ্থ্যসমূহ বিকাশ হয়। যদি এটা শিশুৱে কেতিয়াও লিখা শব্দ দেখা পোৱা নাই। তেতিয়া হ'লে সি এইবোৰৰ অৰ্থ বুজি নাপাব। যদি এটা শিশুৱে কোনো বস্তু ক্ৰমিক ৰূপত চোৱাৰ সুযোগ পোৱা নাই, তেনেহ'লে অনুক্ৰমৰ অৰ্থ বুজি নাপায়। এক উন্নত পৰিৱেশ আৰু বিভিন্ন ধৰণৰ কাৰ্য্যই শিশুৰ মগজুৰ বিকাশ সৰ্বাত্মক ভাৱে হোৱাত সহায় কৰে সন্তোষজনক পৰিৱেশত বুদ্ধি আৰু বিকাশ হ'বলৈ সুযোগ দিব লাগে।

উল্লেখযোগ্য যে সকলোবোৰ বিকাশেই ~~আন্ত~~ আন্তঃসম্পৰ্কীয়। যদিহে এটা শিশু স্বাস্থ্যৱান হয়, তাৰ কাম কৰিবলৈ আৰু শিকিবলৈ শক্তি থাকিব। সি তাৰ নিজৰ আত্মগতিত সুখী হ'ব আৰু লগৰীয়াৰ সৈতে ভালদৰে মিলা-মিছা কৰিব পাৰিব; বেয়া স্বাস্থ্যৰ অৰ্থ হ'ল শক্তি নোহোৱা, সকলো সময়তে হতাশাগ্ৰস্ত হোৱা, খিং-খিঙীয়া ভাব আৰু লগৰীয়াৰ সংখ্যাও কম হয়।